# অসম আদিত্য

RNI

Por

e-m

২ কাতি, ১৯৪৬ শক ■ শুকুৰবাৰ, ৮ নৱেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, November 8, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ



ক্ষে পূজা-অৰ্চনা ভক্তৰ

## আজি কানৈ মহাবিদ্যালয়ত আলোচনা-চক্ৰ

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৭ নৱেম্বৰ ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, বি চি এ বিভাগ আৰু শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ যুটীয়া উদ্যোগত কাইলৈ শংকৰদেৱ সভাকক্ষত এদিনীয়া কাৰ্যসূচীৰে এখন ৰাজ্যিক পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০'ৰ ওপৰত ভিত্তি কৰি 'Empowering Teachers: Advancing Teacher Education in the Light of NEP-2020' শীৰ্ষক বিষয়ত অনুষ্ঠিত হ'বলগীয়া আলোচনা-চক্ৰখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব Eastern Regional Committee, National Council for Teacher Education-ৰ সঞ্চালক ড০ দিব্যজ্যোতি মহন্ত। অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈয়ে আঁত ধৰিবলগীয়া আলোচনা-চক্ৰখনি উদ্বোধন কৰিব কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই জানিবলৈ দিয়া অনুসৰি ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ জৰিয়তে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ যি পৰিৱৰ্তন সাধন কৰা হৈছে, সেই পৰিৱৰ্তনৰ সমান্তৰালভাৱে শিক্ষক প্ৰশিক্ষণৰ বিষয়টোৱে পূৰ্বতকৈ যথেষ্ট গুৰুত্ব লাভ কৰিবলৈ সক্ষম হ'ব। সেয়েহে কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগা এই আলোচনা-চক্ৰখনে শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিব।

## দৃষ্টি ভংগী

□ সন্তোষ গগৈ



টিংখাং সমষ্টিত মোৰ বাসস্থান। জিলাখনৰ লগতে সদৰ ডিব্ৰুগড় চহৰখনক লৈ মই সদায় গৌৰৱ অনুভৱ কৰোঁ। দেশৰ ভিতৰতে উন্নয়নশীল বাণিজ্যিক অৰ্থনীতিৰ চহৰ তথা 'চাহ নগৰী'ৰূপে খ্যাত